# দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ অধিৱেশনত মুখ্যমন্ত্ৰী
# বিজ্ঞান সন্মত অধ্যয়নৰ জৰিয়তেহে আমাৰ সমৃদ্ধ সংস্কৃতি বিশ্বৰ বুকুত জিলিকাই তোলাটো সম্ভৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ এপ্ৰিল ঃ** ‘দৰঙী কৃষ্টি-সংস্কৃতি অতিকৈ চহকী। অসমৰ বৰ্ণাঢ্য সংস্কৃতিত দৰঙী কৃষ্টি-সংস্কৃতিয়ে উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। সেইবাবে দৰঙী কলা-কৃষ্টিৰ চহকী দিশটো দেশ তথা বিদেশত প্ৰসাৰ আৰু প্ৰচাৰ সাধন কৰিব লাগিব। দৰঙী কলা-কৃষ্টি সংঘই এই কৃষ্টি, সংস্কৃতি সমূহ বিজ্ঞান সন্মতভাৱে বিকশিত কৰি ৰাজ্যখনৰ অন্য প্ৰান্তৰ লগতে সমগ্ৰ দেশতে তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ, প্ৰসাৰ, সংৰক্ষণ আৰু গৱেষণাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলে দৰঙী সংস্কৃতি জাকত-জিলিকা হৈ উঠিব। দৰঙী কৃষ্টি-সংস্কৃতি বিকাশৰ বাবে দৰঙী কৃষ্টি উন্নয়ন সংঘই লোৱা ব্যৱস্থা সমূহক ৰাজ্য চৰকাৰে সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব ’ - আজি হলৌচৌকা অহকা গাঁৱত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ অষ্টাদশ দ্বি-বাৰ্ষিক জিলা অধিৱেশন আৰু কৃষ্টি সমাৰোহৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্য চৰকাৰে নাতি দীৰ্ঘ সময়ছোৱাত ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ -ভৈয়াম অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, সৰু-বৰ সকলোৰে কৃষ্টি-সংস্কৃতি বিকাশৰ বাবে চৰকাৰীভাৱে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। কৃষ্টি-সংস্কৃতিয়ে এটা জাতিৰ পৰিচয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ বৰ্ণাঢ্য সংস্কৃতি অধিক বিকশাই তোলাৰ বাবে দৃঢ় পদক্ষেপৰ প্ৰয়োজন। সকলো জনগোষ্ঠীৰ নিজস্ব সংস্কৃতিৰ বিকাশ সাধন কৰাৰ উপৰি এক মহামিলনৰ বাৰ্তাৰে আগুৱাই যোৱাৰ বাবে অনুপ্ৰেৰণা লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সহোদৰ নামৰ এক অনুষ্ঠানৰ আয়োজন কৰিছিল। ৭০ টা জনগোষ্ঠীৰ অংশ গ্ৰহণে এক পৰিৱেশ নিৰ্মাণ কৰিছিল আৰু প্ৰতিটো জনগোষ্ঠীকে নতুন উদ্দীপনা প্ৰদান কৰিছিল। আনহাতে ইয়ে সাংস্কৃতিক মিলনৰ বাবে এক মঞ্চ নিৰ্মাণ সম্ভৱ কৰি তুলিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ কৃষ্টি-সংস্কৃতিৰ বৃহত্তৰ সমাহাৰ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সংস্কৃতিয়ে আমাৰ জাতীয় জীৱন উজ্জীৱিত কৰি ৰাখিছে। এনেকুৱা সংস্কৃতিবান জাতি কেতিয়াও পিছপৰি থাকিব নোৱাৰে। আমি এই কথা অনুধাবন কৰিয়ে ‘ডিচক’ভাৰী অৱ আসাম’ৰ কাৰ্যসূচী আৰম্ভ কৰিছো যাতে অসমৰ সম্পদ আৰু সম্ভাৱনীয়তা, কৃষ্টি-সংস্কৃতিৰ সকলো দিশতে মননশীল অধ্যয়ন সম্ভৱ হয় আৰু

আমাৰ শক্তিশালী সত্তাক বৰ্হিঃপ্ৰকাশৰ জৰিয়তে বিশ্ব দৰবাৰত এক শক্তিশালী জাতি হিচাপে পৰিচয় দাঙি ধৰিব পৰা যায়। অসমৰ কৃষ্টি-সংস্কৃতি গভীৰভাৱে অধ্যয়ন কৰিব লাগিব আৰু বিজ্ঞান সন্মতভাৱে বিকাশ সাধন কৰি সমগ্ৰ বিশ্বতে প্ৰচাৰ কৰিব লাগিব। ইয়াৰ বাবে আমাৰ উঠি অহা নৱ প্ৰজন্মই কৃষ্টি-সংস্কৃতিৰ প্ৰতি ধাউতি বৃদ্ধি কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বাহিৰত ৰাজ্যখনৰ পৰিচয় অতিকৈ দুৰ্বল। অসম অতি মন্থৰ গতিৰে ধাৱমান হোৱা ভূমি হিচাপে এক ধাৰণা আছে। এই ধাৰণা আমি সলনি কৰিবই লাগিব। কষ্ট, অধ্যাৱসায়, উৎপাদন বৃদ্ধিৰ জৰিয়তে নেতিবাচক ধ্যান ধাৰণা সলনি কৰিবলৈ বাধ্য কৰিব লাগিব। আমি দেখুৱাই দিব লাগিব অসম এখন সম্পদশীল  ৰাজ্য। তেতিয়াহে আমি বিশ্বজয় কৰিবলৈ সক্ষম হম। জ্যোতিপ্ৰসাদ আগৰৱালাই 'বিশ্ব বিজয়ী  ন  জোৱান'ৰ আহ্বানেৰে আমাৰ লক্ষ্য স্থিৰ কৰি গৈছে। কষ্ট সহিষ্ণুতা, উৎপাদন বৃদ্ধিৰ জৰিয়তে অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ বাবে আমি সৰ্বাত্মক প্ৰয়াস চলাব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

উন্নয়নৰ বাবে শান্তি অপৰিহাৰ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দৰং জিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বৰ্তি থকা সমন্বয় অধিক শক্তিশালী কৰাৰ বাবে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘই বিশেষ উদ্যোগ গ্ৰহণ কৰিব লাগিব। জাতিৰ পিতা মহাত্মা গান্ধীয়ে স্বচ্ছ ভাৰত গঢ়াৰ বাবে আহ্বান জনাই গৈছিল। সেইবাবে আমাৰ কৰ্ম, চিন্তা, পৰিৱেশ স্বচ্ছ হ'ব লাগিব। আমাৰ যুৱ প্ৰজন্ম  শৃংখলাবদ্ধ, নৈতিক চৰিত্ৰৰ গৰাকী হ'ব লাগিব। আমি ধাৰাবাহিক প্ৰয়াস চলালে ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হ'ম। বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে কঠোৰ শ্ৰম আৰু সুশাসনৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে কিছু কিছু ক্ষেত্ৰত আমি সফলতা আহৰণ কৰিবলৈ সক্ষম হৈছো। নিৰপেক্ষ অধ্যয়ন সমূহৰ দ্বাৰা সেই কথা প্ৰতীয়মান হৈছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰাষ্ট্ৰীয় মঞ্চতো অসম চৰকাৰৰ পদক্ষেপ সমূহ দাঙি ধৰিছে। বিদেশী মুক্ত, সন্ত্ৰাসমুক্ত, দুৰ্নীতি মুক্ত আৰু প্ৰদূষণ মুক্ত সমাজ নিৰ্মাণ কৰিব পাৰিলে আমাৰ উন্নয়ন ত্বৰান্বিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সকলো জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দিশ সমূহ ৰাষ্ট্ৰীয় স্তৰতে নহয় আন্তঃৰাষ্ট্ৰীয় স্তৰতো বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ সভাৰ আদৰণি ভাষণত বিধায়ক গুৰুজ্যোতি দাসে কয় যে দৰঙী কলা-কৃষ্টি বিকাশৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে ৫০ লাখ টকা আগবঢ়াইছে। সভাত বিধায়ক বিনন্দ শইকীয়াই ভাষণ দিয়ে। আজিৰ এই সভাত বিধায়ক সত্যব্ৰত কলিতা, উপায়ুক্ত অশোক কুমাৰ বৰ্মন, প্ৰখ্যাত চলচিত্ৰ পৰিচালক হবিবুৰ ৰহমান, সাহিত্যিক পেঞ্চনাৰ শশীধৰ নাথ প্ৰমুখ্যে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ বিষয়ববীয়া আৰু  অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত আছিল।

বঃভাঃ / পুঃডেঃ
৩০/৪/২০১৭